**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-JUNE-2026
**Time :** 1845 HRS

***Assamese Evening Bulletin***
***Headlines***

——————————————

০০০০০০

১।  আজি বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস। ৰাজ্যৰ বিভিন্ন স্থানত শিশু শ্ৰমিক বিৰোধী সজাগতা অনুষ্ঠানৰ আয়োজন।

২।  অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছত মন্ত্ৰীসকলৰ বিভিন্ন জিলাৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান।

৩।  ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত সাক্ষীৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত।

৪।  গুৱাহাটী অভিমুখে অহা পাঁচজন বাংলাদেশী নাগৰিকক মেঘালয়ত আটক।

আৰু

৫।  বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি কানাডা-বছনিয়াৰ মুখামুখি।

০০০০০০

আজি বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস। শিশুৰ অধিকাৰ ৰক্ষা আৰু শিশু শ্ৰমিক নিৰ্মূল কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ৰাষ্ট্ৰসংঘৰ বিশেষ সহযোগী শাখা আন্তৰ্জাতিক শ্ৰমিক সংস্থাৰ সহযোগত সমগ্ৰ বিশ্বতে এই দিৱস পালন কৰা হয়। এই বছৰ এই দিৱসৰ বাণী হৈছে - **শিশু শ্ৰমিকৰ বাবে ৰঙা কাৰ্ড ঃ শিশুৰ বাবে ন্যায্য খেলা, প্ৰাপ্তবয়স্কৰ বাবে মান্য কাম**।

০০০০০০

শিৱসাগৰৰ সহকাৰী শ্ৰম আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত তথা জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত আজি জিলা পৰিষদৰ কাৰ্যালয়ত বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস পালন কৰা হয়। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস উপলক্ষে উপস্থিত সকলোকে শপত বাক্য পাঠ কৰোৱায়। ১৪ বছৰ তলৰ শিশুসকলক শ্ৰমিক হিচাপে নিয়োগ কৰাৰ পৰা বিৰত থকা আৰু এই সম্পৰ্কে জন সচেতনতা বৃদ্ধিৰ পদক্ষেপ গ্ৰহণৰ লগতে শিশু অধিকাৰৰ সুৰক্ষা নিশ্চিত কৰা আৰু শিক্ষাগ্ৰহণৰ পথ প্ৰশস্ত কৰা আদি বিষয়ত গুৰুত্ব আৰোপ কৰি মননশীল আলোচনাৰো আয়োজন কৰা হয়। সহকাৰী শ্ৰম আয়ুক্ত ব্ৰজেন বৰুৱাৰ সভাপতিত্বত আয়োজিত এই অনুষ্ঠানত সহকাৰী আয়ুক্ত অন্বেষা ঠাকুৰ, জিলা শিশু সুৰক্ষা বিষয়া ডং বিকাশ ৰঞ্জন কোঁৱৰ, মুখ্য আইনী সাহায্য প্ৰতিৰক্ষা অধিবক্তা বিদ্যুৎ গগৈ, অসম চেম্বাৰ্ছ অৱ কমাৰ্চৰ শিৱসাগৰ

জিলাৰ সচিব মানৱ আদিত্য, চাহ বাগিচা কৰ্তৃপক্ষ, শ্ৰম কল্যান বিষয়াকে আদি কৰি কেইবাজনো উচ্চ পদস্থ চৰকাৰী বিষয়া আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকলো উপস্থিত থাকে।

০০০০০০

বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱসৰ লগত সংগতি ৰাখি আজি ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত তথা অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, জিলা শিশু সুৰক্ষা গোট, চাইল্ডলাইন আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ বিভিন্ন চাহ বাগিছা অঞ্চলত কিশোৰ, কিশোৰী আৰু অভিভাৱকৰ মাজত এই সজাগতা অভিযানৰ আয়োজন কৰা হয়। এই সজাগতা সভাবোৰত সমল ব্যক্তিসকলে শিশু শ্ৰমৰ ক্ষেত্ৰত থকা বাধ্যবাধকতা, আইনী ব্যৱস্থা, বিপদত পৰা শিশুক উদ্ধাৰৰ বাবে থকা ব্যৱস্থাৱলীৰ ওপৰত আলোকপাত কৰে।

০০০০০০

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ধেমাজি জিলাতো আজি বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস উদযাপন কৰা হয়। ধেমাজি জিলা শ্ৰম বিষয়াৰ কাৰ্যালয় আৰু ধেমাজি ব্যৱসায়ী সংস্থাৰ যৌথ উদ্যোগত আৰু জিলাখনৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত এই দিৱস উদযাপন কৰা হয়। দিৱস উপলক্ষে ধেমাজি মটৰ শ্ৰমিক ই-ৰিক্সা সন্থাৰ উদ্যোগত সজাগতা সমদল কাৰ্যসূচী অনুষ্ঠিত হয়। ধেমাজি ব্যৱসায়ী সন্থা আৰু চেম্বাৰ্ছ অব কমাৰ্চ ধেমাজি জিলাই সজাগতা পত্ৰ বিতৰণ, দোকান-প্ৰতিষ্ঠানসমূহত সজাগতামূলক পোষ্টাৰ সংলগ্নকৰণ আদি কাৰ্যসূচী ৰূপায়ণ কৰে। বিদ্যালয়সমূহতো এই দিৱসৰ সৈতে সংগতি ৰাখি কুইজ প্ৰতিযোগিতা, শপত গ্ৰহণ অনুষ্ঠান আদি বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। এই সভাত ভালেসংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে স্থানীয় লোকে অংশগ্ৰহণ কৰে।

০০০০০০

শ্ৰীভূমি জিলাতো বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস পালন কৰা হয়। এই উপলক্ষে শ্ৰম বিভাগৰ ফালৰ পৰা শ্ৰীভূমি চহৰত শিশু শ্ৰম বিৰোধী সজাগতা সৃষ্টিৰ উদ্দেশ্যে মাইকযোগে ব্যাপক প্ৰচাৰ অভিযান চলোৱা হয়। শ্ৰম বিভাগ আৰু শিশু কল্যাণৰ ক্ষেত্ৰত কাম কৰা স্বেচ্ছাসেৱী সংস্থা উডিচিৰ সহযোগিতাত শ্ৰীভূমি চহৰৰ বিভিন্ন স্থানত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্বেছাসেৱী সংস্থাটোৱে এটা বিবৃতিত প্ৰকাশ কৰে যে ৰাজ্যত শিশু শ্ৰমিক সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিছাসমূহৰ পৰা আৰম্ভ কৰি নগৰৰ ব্যস্ত ধাবা, গেৰেজ আৰু গৃহস্থালীৰ কামলৈকে সকলো ঠাইতে শিশু শ্ৰমিক দেখা পোৱা যায়। দাৰিদ্ৰ, বানপানী আৰু সুযোগৰ অভাৱৰ বাবে বহু শিশু শ্ৰমিক হিচাপে দায়িত্ব পালন কৰিবলগীয়া হৈছে, যাৰ বাবে তেওঁলোকৰ শিক্ষা আৰু সুৰক্ষিত শৈশৱৰ মৌলিক অধিকাৰ লংঘন হৈছে। শিশু শ্ৰমৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গঢ়ি তোলাৰ বাবেও সংস্থাটোৱে বিবৃতিত প্ৰকাশ কৰে। কোনো শিশু বিপজ্জনক বা অবৈধ পৰিস্থিতিত কাম কৰাৰ খবৰ লাভ কৰিলে, ৰাষ্ট্ৰীয় সহায়ক নম্বৰ ১০৯৮ অথবা অনলাইন পেন্সিল পোৰ্টেলত অভিযোগ জনাবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

শিশু শ্ৰমিক বিৰোধী দিৱসৰ দিনাই ৰাজ্যৰ শ্ৰম বিভাগে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত অভিযান চলাই ৭ গৰাকী শিশু, কিশোৰ শ্ৰমিকক উদ্ধাৰ কৰে। অভিযানকাৰী দলে ছয়মাইলত অভিযান চলাই ঘৰুৱা

কামত নিয়োজিত ৩ গৰাকী কিশোৰীসহ এটি শিশু শ্ৰমিকক উদ্ধাৰ কৰে। তদুপৰি নুনমাটিৰ গেৰেজ আৰু কাৰ ৱাছ চেণ্টাৰত অভিযান চলাই দলটোৱে আন ৩ টি কিশোৰক উদ্ধাৰ কৰে। পাছত উদ্ধাৰ কৰা শিশুসকলক শ্ৰম বিভাগে শিশু কল্যান সমিতিক চমজাই দিয়ে। আনহাতে, শিশুক শ্ৰমিক হিচাপে নিয়োজিত কৰাসকলৰ বিৰুদ্ধে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি শ্ৰম বিভাগৰ বিষয়াই সদৰি কৰে।

বাইট -

00000

ৰাজ্য চৰকাৰৰ নতুন মন্ত্ৰীসকলে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছতে তেওঁলোকে সেই জিলাসমূহ ভ্ৰমণ কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। মন্ত্ৰীসকলে জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি উন্নয়ন, সু-শাসন আৰু সমৃদ্ধিৰ দিশত চৰকাৰৰ যাত্ৰাক গতিশীল কৰাৰ চেষ্টা চলায়। লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই আজি জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ সৈতে পৰ্যালোচনা বৈঠকত ভাগ লয়। ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী নীলিমা দেৱীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত জনকল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ণ, আন্তঃগাঁথনি উন্নয়ন, প্ৰশাসনিক দক্ষতা তথা জিলাখনৰ সামগ্ৰিক অগ্ৰগতিৰ দিশসমূহ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ সমস্যাসমূহ শীঘ্ৰেই সমাধানৰ বাবে সকলো বিভাগে সমন্বিত প্ৰচেষ্টাৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে।

000000

ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ তথা ধুবুৰী জিলাৰ অভিভাৱকৰ দায়িত্ব লাভ কৰা মন্ত্ৰী অশোক সিংহলে আজি ধুবুৰী জিলা পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিভিন্ন বিভাগৰ বিভাগীয় মুৰব্বীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশ লয়। জিলাখনত চলি থকা বিভিন্ন চৰকাৰী আঁচনি আৰু প্ৰকল্পসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্ত মেঘা নিধি দাহালে এই বৈঠকত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত ধুবুৰী জিলাখন বানপানীত প্ৰতি বছৰে ক্ষতিগ্ৰস্ত হয় বুলি প্ৰকাশ কৰে। তেওঁ জিলাখনত ৰূপায়ণ হৈ থকা চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিৰ অগ্ৰগতি সম্পৰ্কেও অভিভাৱক মন্ত্ৰীগৰাকীক অৱগত কৰে। অভিভাৱক মন্ত্ৰী শ্ৰীসিংহলে দক্ষতা উন্নয়ন আৰু শ্ৰম বিভাগক শিশু শ্ৰমিক সম্পৰ্কীয় প্ৰতিবেদন দাখিল কৰিবলৈও এই বৈঠকতে নিৰ্দেশ দিয়ে। আজিৰ পৰ্যালোচনা বৈঠকত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে গামোছা আৰু অন্যান্য সংগ্ৰহ মন্ত্ৰীগৰাকীৰ সন্মুখত প্ৰদৰ্শন কৰে। একেদৰে সংস্কৃতি বিভাগ, ক্ৰীড়া বিভাগ আৰু অৰ্থনীতি তথা পৰিসংখ্যা বিভাগৰ প্ৰতিবেদনসমূহ সংশ্লিষ্ট বিভাগীয় মুৰব্বীসকলে উপস্থাপন কৰে।

000000

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত সাক্ষীৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আজি ফাষ্ট ট্ৰেক আদালতত দুজন সাক্ষীৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। ৰাজা অসম আৰু আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিত শৰ্মাই আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত সাক্ষ্য প্ৰদান কৰে। ৰাজা অসমে কালিৰ দিনটোতো আদালতত সাক্ষ্য প্ৰদান কৰিছিল যদিও সেয়া অসম্পূৰ্ণ হৈ ৰোৱাত আজি তেওঁ পুনৰ সাক্ষ্য প্ৰদান কৰে।

০০০০০০

গুৱাহাটী মহানগৰীৰ যানবাহন আৰক্ষীয়ে যান-বাহনৰ সকলো নীতি-নিয়ম মানি চলিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনাইছে। ৰাজিক সজাগ কৰাৰ উদ্দেশ্যে আজি পানবজাৰত আয়োজিত এখন সংবাদ মেলত উপ-আৰক্ষী আয়ুযক্ত জয়ন্ত সাৰথি বৰাই কয় যে অসম আৰক্ষী বা গুৱাহাটীৰ যান-বাহন আৰক্ষী ৰাজহ সংগ্ৰহকাৰী বিভাগ নহয়, ৰাইজক সজাগ কৰাৰ বাবেহে যান-বাহন উলংঘাকাৰীক জৰিমনা বিহা হয়।

**বাইট**

উপ-আৰক্ষী আয়ুক্ত শ্ৰীবৰাই কয় যে আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী আয়ুক্তৰ নিৰ্দেশ মৰ্মে যোৱা দুমাহৰ পৰা যানবাহন আইন সন্দৰ্ভত সজাগতা চলাই থকা হৈছে, যাতে পথ দুৰ্ঘটনা ৰোধ কৰিব পাৰি। পথ দুৰ্ঘটনা ৰোধৰ বাবে প্ৰতি মাহে মুখ্য সচিবৰ অধ্যক্ষতাত বৈঠক অনুষ্ঠিত কৰা হৈ আহিছে বুলি শ্ৰীবৰাই উল্লেখ কৰে।

০০০০০০

মহিলাৰ বিৰুদ্ধে যিকোনো হিংসাত্মক ঘটনা ৰোধ কৰাৰ বাবে প্ৰচলিত আইনী সুৰক্ষা ব্যৱস্থা সম্পৰ্কে ব্যাপক সজাগতা সৃষ্টিৰ লগতে প্ৰশাসনিক সক্ষমতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নগাওঁ জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জিলা মহিলা কোষৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত সভাপতিত্ব কৰি কয় যে মহিলাসকলৰ বাবে ভালেমান আইনী সুৰক্ষা ব্যৱস্থা আছে যদিও সেই সম্পৰ্কে বেছিভাগ মহিলাই অৱগত নহয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত বৈঠকখনত ঘৰুৱা হিংসা, যৌতুকজনিত নিৰ্যাতন, উৎপীড়নৰ সন্মুখীন হোৱা তথা কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ বলি হোৱা মহিলাসকলক জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনৰ পৰা তৎকালীনভাৱে কিদৰে আইনী সাহায্য আগবঢ়াব পৰা যায় সেই সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত সমাজ কল্যান বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত কমলজিৎ শৰ্মা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতীম দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰৌজি তালুকদাৰ প্ৰমুখ্যে সমাজ কল্যান বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০

মেঘালয়ৰ দামালগ্ৰী অঞ্চলত হাটশিঙিমাৰীৰ পৰা গুৱাহাটী অভিমুখে যাত্ৰা কৰি থকা সময়ত এখন ভাৰাতীয়া বাহনৰ পৰা মেঘালয় আৰক্ষীয়ে পাঁচজন বাংলাদেশী নাগৰিকক আটক কৰে। মেঘালয় আৰক্ষীৰ নিয়মীয়া নাকা তালাচীৰ সময়ত পাহাৰীনগৰ নাকা দলে সন্দেহবশতঃ সোধা-পোছা কৰা লোককেইজন বাংলাদেশী নাগৰিক বুলি আৰক্ষী নিশ্চিত হয় আৰু লগে লগে আৰক্ষীয়ে লোককেইজনক আটক কৰে। আৰক্ষীৰ তদন্তত লোককেইজন বাংলাদেশৰ ৰাজশাহী জিলাৰ নাগৰিক বুলি পোহৰলৈ আহে। এই সন্দৰ্ভত তুৰাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰিয়ংকা ৰাটৰে চাংমাই এইদৰে কয়-

বাইট

০০০০০০

ৰাজ্যৰ আন ঠাইৰ লগতে মৰিগাওঁ জিলাতো অহা ২৮ জুনত ৫ বছৰ বয়সৰ তলৰ শিশুসকলক পলিঅ' প্ৰতিষেধক সেৱন কৰোৱাৰ বাবে মৰিগাওঁ জিলা স্বাস্থ্য বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি এই সন্দৰ্ভত মৰিগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাৰ সভাপতিত্বত অনুষ্ঠিত

এখন বৈঠকত এই অভিযানৰ প্ৰস্তুতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত বিশ্ব স্বাস্থ্য সংস্থাৰ ৰাজ্যিক স্বাস্থ্য বিষয়া ডাঃ নগেন শৰ্মাই পাৱাৰ পইণ্ট প্ৰেজেণ্টেছনৰ সহায়ক অভিযানৰ প্ৰস্তুতিৰ বিষয়ে আভাস দিয়ে। তেওঁ কয় যে জিলাখনত এইবাৰ ১ লাখ ৪১ হাজাৰ ৩৪৫ টি শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হ'ব।

০০০০০০

গুৱাহাটী মহানগৰীৰ ভূতনাথ অঞ্চলৰ কালীপুৰত আজি পথৰ ওপৰত এডাল গছ বাগৰি পৰাৰ ফলত এগৰাকী ছাত্ৰীৰ মৃত্যু হয়। নিহত ছাত্ৰীগৰাকী চৰাইদেউ জিলাৰ সোণাৰীৰ পৰিস্মিতা হাজৰিকা বুলি চিনাক্ত কৰা হৈছে। পৰীক্ষাৰ বাবে ছাত্ৰীগৰাকীয়ে পাণ্ডু মহাবিদ্যালয়লৈ দুচকীয়া বাহনেৰে গৈ থকা অৱস্থাতে এই কৰুণ দুৰ্ঘটনাটো সংঘটিত হয়। সেই ঘটনাত দুচকীয়া বাহনখনৰ চালক তথা ছাত্ৰ জ্যোতিময় মহন গুৰুতৰভাৱে আহত হয়। ঘটনাৰ পিছতে ৰে'ল বিভাগ আৰু গুৱাহাটী পৌৰ নিগমৰ কৰ্মীয়ে স্থানীয় লোকৰ সহযোগত দুয়োকে সমীপৰ এখন চিকিৎসালয়লৈ নিয়ে যদিও ছাত্ৰীগৰাকীৰ মৃত্যু হয়।

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা টৰণ্টো ষ্টেডিয়ামত গ্ৰুপ বিৰ এখন খেলত সহ আয়োজক দেশ কানাডা বচনিয়া -হাৰ্জেগভিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত অনুষ্ঠিত হ'ব। দুয়োখন দেশ প্ৰথমবাৰৰ বাবে বিশ্বকাপ প্ৰতিযোগিতাত মুখামুখি হ'ব। গ্ৰুপ এ-ৰ খেলত আজি দক্ষিণ কোৰিয়াই চেক-ৰিপাব্লিকক এখন উত্তেজনামূলক খেলত ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে যোৱা নিশা মেক্সিক' মহানগৰীৰ এজটেকা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলত মেক্সিক'ৱে দক্ষিণ আফ্ৰিকাক ২-০ গলত পৰাস্ত কৰে। যোৱা নিশা মেক্সিক' মহানগৰীত ফিফা বিশ্বকাপ ২০২৬ প্ৰতিযোগিতাৰ এটা বৃহৎ সমাৰোহেৰে মুকলি কৰা হয়। উদ্বোধনী অনুষ্ঠানত গোলকীয় সংগীত আৰু সংস্কৃতিক প্ৰতিফলিত কৰি চাকিৰা আৰু বাৰ্ণাবয়ে প্ৰতিযোগিতাৰ আনুষ্ঠানিক গীত **দায় দায়** পৰিৱেশন কৰে। কাৰ্যসূচীত মেক্সিক'ৰ চহকী সংগীতক প্ৰতিফলিত কৰি আলেজেণ্ড্ৰো ফাৰ্ণাণ্ডেজ, লিলা ড'নচ, বেলিণ্ডায়ে মাহজুৰি চলিবলগীয়া এই প্ৰতিযোগিতাৰ মুকলি অনুষ্ঠানত গীত পৰিৱেশন কৰে।

০০০০০০

**সমাপ্ত**